**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**------------------------------**

১। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোই আজি পুৱা ৯ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা EOS-জিৰ'এইট নামৰ এটা পৃথিৱী নিৰীক্ষণকাৰী কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰে।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে চহকী সাংস্কৃতিক ঐতিহ্যৰ বাবে ভাৰতক প্ৰায়ে বৌদ্ধিক সম্পত্তিৰ সোণৰ খনি হিচাপে অভিহিত কৰা হয়।

৩। ভাৰতে কাইলৈ তৃতীয় ভইচ অব গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে।

**আৰু**

৪। কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত পেৰিছ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজেতা মনো ভাকেৰক সমবৰ্ধনা জনায়। ০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোই আজি পুৱা ৯ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন যান SSLVৰ জৰিয়তে EOS-জিৰ'এইট নামৰ এটা পৃথিৱী নিৰীক্ষণকাৰী কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰে। কৃত্ৰিম উপগ্ৰহটোৰ উৎক্ষেপনৰ লগে লগে SSLV উৎক্ষেপন যানৰ উন্নয়নৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হয়। PSLV উৎক্ষেপন যানৰ তুলনাত ১০ মিটাৰ সৰু SSLV ৰকেট পৃথিৱীৰ নিম্ন কক্ষপথত ক্ষুদ্ৰ আৰু কম ওজনৰ কৃত্ৰিম উপগ্ৰহ প্ৰেৰণৰ বাবে ব্যৱহাৰ কৰা হৈছে। SSLV উৎক্ষেপন যানে কম খৰচত কেইবাটাও উপগ্ৰহ উৎক্ষেপন আৰু নামমাত্ৰ উৎক্ষেপন আন্তঃগাঁথনিৰ সহায়ত উৎক্ষেপন অভিযান সম্পূৰ্ণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। PSLVৰ তুলনাত SSLVৰ ব্যয় প্ৰায় ২০ৰ পৰা ৩০ শতাংশ কম। ০০০০০

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৰ অধ্যক্ষ এছ সোমনাথে কৈছে যে চলিত বৰ্ষৰ শেষৰ ফালে প্ৰথমটো মানৱবিহীন অভিযান গগনয়ান আৰম্ভ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। ইছৰ'ত সংবাদ মাধমৰ সৈতে হোৱা এটা মত বিনিময় অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে কয় যে ৰকেটৰ সকলো অংশ সতীশ ধাৱান মহাকাশ কেন্দ্ৰলৈ লৈ যোৱা

হৈছে আৰু উৎক্ষেপনৰ বাবে  তাত সম্পূৰ্ণৰূপে সাজু কৰা হ'ব। মানৱ অভিযানত মহাকাশচাৰীসকলক সুৰক্ষা প্ৰদান কৰিবলৈ গামা ৰশ্মি আৰু অতিবেঙুনীয়া ৰশ্মিৰ পৰিসৰ পৰীক্ষা কৰিবলৈ ইয়াত বিভিন্ন ধৰণৰ সা-সঁজুলি উপলব্ধ কৰা হ'ব বুলিও অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে।

এছ সোমনাথে লগতে কয় যে তামিলনাডুৰ কুলছেকাৰাপট্টিনমত মহাকাশ কেন্দ্ৰ স্থাপনৰ কাম দুবছৰৰ ভিতৰত সম্পন্ন হ'ব। চুবুৰীয়া দেশৰ অৱস্থানসমূহৰ প্ৰতি লক্ষ্য ৰাখি সৰু সৰু উপগ্ৰহসমূহ উৎক্ষেপন কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। ইছৰ'ৰ অধ্যক্ষগৰাকীয়ে কয় যে সফল পৰীক্ষণৰ পাছত ভাৰতৰ হাতত যিকোনো ধৰণৰ উপগ্ৰহ কম খৰছত উৎক্ষেপন কৰাৰ ক্ষমতা আছে। তেওঁ কয় যে মহাকাশ উদ্যোগটোলৈ প্ৰযুক্তি হস্তান্তৰৰ ধাৰণাটোৱে  মহাকাশ উদ্যোগৰ বিশ্বব্যাপি ক্ষেত্ৰখনত ভাৰতক যথেষ্ট লাভান্বিত কৰিব।

০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি নতুন দিল্লীৰ নেচনেল ল ইউনিভাৰচিটি আই পি ল আৰু ব্যৱস্থাপনাত যুটিয়া স্নাতকোত্তোৰ এল এল এমৰ প্ৰথমটো বেটছৰ শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চহকী সাংস্কৃতিক ঐতিহ্যৰ বাবে ভাৰতক প্ৰায়ে বৌদ্ধিক সম্পত্তিৰ সোণৰ খনি বুলি অভিহিত কৰা হয়। তেওঁ লগতে কয় যে বেদ এই বৌদ্ধিক সম্পত্তিৰ  প্ৰধান উদাহৰণ।

০০০০০

অমৃত উদ্যান আজিৰে পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। পৰ্যটকসকলে অহা মাহৰ ১৫ তাৰিখলৈ অমৃত উদ্যান পৰিদৰ্শন কৰিব পাৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত অমৃত উদ্যান গ্ৰীষ্মকালীন-২০২৪ বুধবাৰে মুকলি কৰিছিল। চলিত বৰ্ষত প্ৰথমবাৰৰ বাবে ক্ৰীড়াৰ সৈতে জড়িত ব্যক্তিসকলক অহা ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষ্যে অমৃত উদ্যান দৰ্শন কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি বিদ্যালয়-বিশ্ব বিদ্যালয়ৰ শিক্ষকসকলক অমৃত উদ্যানলৈ আহিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

এই উদ্যানখনৰ মূল আকৰ্ষণ হ'ল – গ্ৰীষ্মকালীন উদ্ভিদসমূহৰ বিচিত্ৰতা, বিৰল আৰু বিদেশী ফুলৰ প্ৰাকৃতিক দৃশ্য, গোলাপৰ বাগিছা, আঁহত ইত্যাদি। দৰ্শনাৰ্থীৰ সুবিধাৰ বাবে কেন্দ্ৰীয় সচিবালয় মেট্ৰ' ষ্টেচনৰ পৰা বিনামূলীয়া বাছ সেৱাৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৱেব ছাইটত এই টিকতসমূহ উপলব্ধ আছে আৰু অমৃত উদ্যানৰ প্ৰবেশ বিনামূলীয়া বুলিও আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

ভাৰতে কাইলৈ তৃতীয় ভইচ অব গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে - বহনক্ষম ভৱিষ্যতৰ বাবে সবল গ্লোবেল ছাউথ। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এই সন্মিলনে সংঘৰ্ষ, খাদ্য আৰু শক্তি সুৰক্ষা সংকট আৰু জলবায়ু পৰিবৰ্তনৰ লেখিয়া বিশ্বক প্ৰভাৱিত কৰি অহা জটিল প্ৰত্যাহ্বান সন্দৰ্ভত পূৰ্বৰ সন্মিলনত হোৱা আলাপ-আলোচনাৰ সম্প্ৰসাৰণৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। সন্মিলনত গ্লোবেল ছাউথ ৰাষ্ট্ৰসমূহে বিভিন্ন প্ৰত্যাহ্বান, অগ্ৰাধিকাৰ তথা তুলনামূলকভাৱে কম বিকশিত আৰু বিকাশশীল দেশৰ সমস্যা বিশেষকৈ উন্নয়ন ক্ষেত্ৰত সমাধানক লৈ আলোচনা অব্যাহত থাকিব। মন্ত্ৰালয়ে কৈছে যে পূৰ্বৰ সন্মিলনৰ দৰে তৃতীয় সন্মিলনো ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠিত হ'ব। সন্মিলনৰ উদ্বোধনী সত্ৰত ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানসকলে

অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সত্ৰৰ গুৰি ধৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস দৃষ্টিভংগীৰ সম্প্ৰসাৰিত ৰূপ হিচাপে এই অনন্য উদ্যম আৰম্ভ কৰা হৈছে আৰু ইয়াক ভাৰতৰ বসুধৈব কুটুম্বকম দৰ্শনৰ সৈতে সংযুক্ত কৰা হৈছে। গ্লোবেল ছাউথ হিচাপে পৰিচিত স্বল্পবিকশিত আৰু উন্নয়নশীল দেশৰ উমৈহতীয়া মঞ্চত সকলো বিষয়ৰ অগ্ৰাধিকাৰক লৈ এখন উমৈহতীয়া মঞ্চত আলাপ আলোচনা কৰাৰ উদ্দেশ্যে এই উদ্যমৰ পৰিকল্পনা কৰা হৈছে।

ooooo

নিৰ্বাচন আয়োগে আজি এখন সংবাদ মেলযোগে বিয়লি ৩ বজাত কেইবাখনো ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। জম্মু-কাশ্মীৰ আৰু হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ সময়সূচী আজি ঘোষণা কৰাৰ সম্ভৱনা আছে। হাৰিয়ানা আৰু জম্মু-কাশ্মীৰৰ লগতে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডতো বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা। অলপতে বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ নিৰ্বাচন আয়োগে জম্মু-কাশ্মীৰ আৰু হাৰিয়ানা ভ্ৰমণ কৰিছিল। উচ্চতম ন্যায়ালয়ে ৩০ ছেপ্তেম্বৰৰ ভিতৰত জম্মু -কাশ্মীৰত বিধান সভা নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

oooooo

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাত এগৰাকী কনিষ্ঠ চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত জৰুৰীকালীন সেৱাৰ বাহিৰে অন্য সেৱাসমূহ কাইলৈ পুৱা ৬ বজাৰপৰা ২৪ ঘণ্টাৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাসমূহ অব্যাহত থাকিব আৰু কেজুৱেলিটী ৱাৰ্ডসমূহ খোলা ৰখা হ'ব। বিজ্ঞপ্তিখনত লগতে এইবুলি কোৱা হৈছে যে এই সময়ছোৱাত বৰ্হিঃবিভাগৰ সেৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। আই এম এৰ ৰাজ্যিক শাখাসমূহৰ সৈতে হোৱা আলোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

oooo

কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত পেৰিছ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজেতা মনো ভাকেৰক সমবৰ্ধনা জনায়। মনো ভাকেৰক তেওঁ ১০ লাখ টকাৰ  এখন চেক্ উপহাৰ দিয়ে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত সোণোৱালে কয় যে মনো ভাকেৰক সামৰ্থ, নিষ্ঠা আৰু দায়বদ্ধতা আছে। দেশৰ বাবে অনাগত দিনত মনো ভাকেৰে আৰু অধিক পদক জয়লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী

এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

সমাপ্ত